পাঠ - ১

# তথ্যৰ ব্যৱহাৰ
## (Data Handling)

শিক্ষকে শ্ৰেণীকোঠাত পাঁচবিধ ফলৰ কোনবিধ ফল আটাইতকৈ প্ৰিয় ছাত্ৰ-ছাত্ৰীসকলক সুধি তাৰ এখন তালিকা প্ৰস্তুত কৰি বোৰ্ডত লিখিলে আৰু লগতে ছাত্ৰ-ছাত্ৰীকো তালিকাখন নিজৰ নিজৰ টোকা বহীত লিখিবলৈ দিলে। শ্ৰেণীকোঠাত মুঠ 30 জন ছাত্ৰ-ছাত্ৰী আছিল আৰু শিক্ষকে ধৰি দিয়া ফল পাঁচবিধ হ'ল—

**কল, আপেল, কঁঠাল, আম, জামু**

প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় ফলৰ মতামত জনাৰ পিছত প্ৰস্তুত হোৱা তালিকাখন এনেধৰণৰ



| ফলৰ নাম | দাগচিহ্ন | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| কল | 𝍸 𝍸 \| | 11 |
| আপেল | 𝍸 \| | 6 |
| কঁঠাল | \|\|\| | 3 |
| আম | \|\|\|\| | 4 |
| জামু | 𝍸 \| | 6 |



**মন কৰোঁ আহা-**

1. '|' দাগচিহ্নই এজন ছাত্ৰ বা ছাত্ৰীক বুজায়।
2. |||| দাগচিহ্নই চাৰিজন ছাত্ৰ বা ছাত্ৰীক বুজায়।
3. 𝍸 দাগচিহ্নই পাঁচজন ছাত্ৰ বা ছাত্ৰীক বুজায়।
4. মুঠ দাগচিহ্নই মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বুজায়।

**তালিকাৰ পৰা তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া**

(1) কোনবিধ ফল ছাত্ৰ-ছাত্ৰীসকলৰ আটাইতকৈ বেছি প্ৰিয়?
(2) কোন দুবিধ ফল সমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়?
(3) তালিকাখন দণ্ডচিত্ৰৰ সহায়ত দেখুৱাব পাৰিবানে?

নিজৰ নিজৰ ঘৰৰ পৰা বিদ্যালয়লৈ দূৰত্ব অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তালিকা এখন দিয়া আছে।

| দূৰত্ব (কিমি) | দাগ চিহ্ন | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| আধা কিমিৰ ভিতৰত | ~~IIII~~ ~~IIII~~ ~~IIII~~ I | 16 |
| এক কিমিৰ ভিতৰত | ~~IIII~~ ~~IIII~~ II | 12 |
| দুই কিমিৰ ভিতৰত | ~~IIII~~ ~~IIII~~ | 10 |
| তিনি কিমিৰ ভিতৰত | ~~IIII~~ III | 8 |

**তালিকা চাই তলৰ প্ৰশ্নকেইটাৰ উত্তৰ উলিওৱা**

1. আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰী কিমান কিমি দূৰত্বৰ ভিতৰত আছে ?
2. শ্ৰেণীটোত মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান ?
3. দুই আৰু তিনি কিমিৰ দূৰত্বৰ ভিতৰত মুঠ কিমানজন ছাত্ৰ-ছাত্ৰী আছে ?
4. আধা কিমিতকৈ বেছি দূৰৰ পৰা কিমানজন ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ আহে ?
5. দুই কিমিতকৈ কম দূৰত্বৰ পৰা কিমানজন ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ আহে ?
6. তিনি কিমিতকৈ বেছি দূৰত্বৰ পৰা বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰী আছেনে ?

**উদাহৰণ ঃ** পঞ্চম শ্ৰেণীৰ 'গোট মূল্যায়ন'ত মুঠ দহ নম্বৰৰ ভিতৰত 30 জন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা নম্বৰৰ তালিকা তলত দিয়া ধৰণৰ ঃ

~~8~~ ~~7~~ ~~3~~ ~~4~~ ~~7~~ ~~7~~ ~~6~~ ~~5~~ ~~5~~ ~~4~~ ~~3~~ ~~2~~ ~~3~~ ~~3~~ ~~4~~

~~7~~ ~~6~~ ~~4~~ ~~4~~ ~~3~~ ~~7~~ ~~8~~ ~~3~~ ~~4~~ ~~7~~ ~~6~~ ~~3~~ ~~2~~ ~~2~~ ~~6~~

এতিয়া নম্বৰসমূহ তলত দিয়া ধৰণে তালিকাভুক্ত কৰোঁ আহা-

| নম্বৰ | দাগ চিহ্ন | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| 0 | | |
| 1 | | |
| 2 | III | 3 |
| 3 | ~~IIII~~ II | 7 |
| 4 | ~~IIII~~ I | 6 |
| 5 | II | 2 |
| 6 | IIII | 4 |
| 7 | ~~IIII~~ I | 6 |
| 8 | II | 2 |
| 9 | | |
| 10 | | |

**তথ্য প্ৰস্তুত প্ৰণালী ঃ**

● প্ৰথমতে নম্বৰসমূহ লিখি ল'ব লাগে। ● তাৰ পিছত এটা নম্বৰ যিমানজন ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে সিমানবাৰ দাগচিহ্ন দিব লাগে। ● উক্ত নম্বৰটো দাগচিহ্ন দিয়াৰ পিছত কাটি যাব লাগে। ● এনেদৰে নম্বৰসমূহ কাটি শেষ হোৱাৰ পিছত প্ৰতিটো নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দাগচিহ্নৰ পৰা উলিয়াব পৰা যাব।

**নিজে কৰা**

বিদ্যালয়ৰ বাগিচাত ফুলি থকা ফুলবোৰ চোৱা। এতিয়া ফুলৰ নাম অনুযায়ী দাগচিহ্ন ব্যৱহাৰ কৰি এখন তালিকা প্ৰস্তুত কৰা।



| ফুলৰ নাম | দাগচিহ্ন |
|---|---|
| বেলি | |
| জবা | |
| ডালিয়া | |
| গোলাপ | |

**তুমি সজা তালিকাখন চাই উত্তৰ লিখা**

- কোনবিধ ফুল আটাইতকৈ বেছিকৈ ফুলি আছে?
- কোনবিধ ফুল আটাইতকৈ কমকৈ ফুলি আছে?
- কোন দুবিধ ফুলৰ সংখ্যা সমান?
- মুঠ ফুলৰ সংখ্যা কিমান?

**চিত্ৰ লেখ (Pictograph) ঃ**

যদু, ৰাঘৱ, পাপৰি, নাচিফা আৰু মাধুৰ্যৰ হাতত থকা সাধু কিতাপৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ




 এখন কিতাপ

ওপৰৰ তালিকাখন চাই আমি স্পষ্টভাৱে ক'ব পাৰিম যে কাৰ হাতত কেইখন কিতাপ আছে।

এটা চিত্ৰলেখে বিভিন্ন বস্তুৰ চিত্ৰৰ জৰিয়তে তথ্য উপস্থাপন কৰে আৰু লগতে ই মুহূৰ্ততে তথ্যৰ ওপৰত সোধা প্ৰশ্নৰ উত্তৰ দিয়াত সহায় কৰে।

উদাহৰণ ঃ কোনো এটা শ্ৰেণীৰ 25জন ছাত্ৰ-ছাত্ৰীৰ কোনটো বাৰত কিমানজনৰ জন্ম হৈছিল তলৰ তালিকাখনত চাওঁ আহা ঃ

| বাৰ | সচিত্ৰ লেখ | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| সোমবাৰ |  | 4 |
| মঙলবাৰ |  | 4 |
| বুধবাৰ |  | 1 |
| বৃহস্পতিবাৰ |  | 7 |
| শুক্ৰবাৰ |  | 2 |
| শনিবাৰ |  | 3 |
| দেওবাৰ |  | 5 |

 — এজন ছাত্ৰ বা ছাত্ৰী বুজাইছে

তালিকাৰ পৰা উত্তৰ লিখোঁ আহা—

1. আটাইতকৈ কম ছাত্ৰ-ছাত্ৰী জন্ম হোৱা বাৰ হৈছে ——
2. বৃহস্পতিবাৰত জন্ম হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ——
3. শনি আৰু দেওবাৰে মুঠ কিমানজন ছাত্ৰ-ছাত্ৰী জন্ম হৈছে?
4. সমান সংখ্যক ছাত্ৰ-ছাত্ৰী জন্ম লাভ কৰা বাৰ দুটা কি কি?
5. বৃহস্পতিবাৰে জন্ম লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মঙলবাৰে জন্মলাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ কিমান বেছি বা কম?
6. 5 বা 5তকৈ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে জন্ম লাভ কৰা বাৰ কেইটাৰ নাম লিখা।

প্ৰাঞ্জল, ইব্ৰাহীম, জন আৰু মুকুটে একেলগে দেওবৰীয়া সাপ্তাহিক বজাৰলৈ গৈছিল। বজাৰলৈ যাওঁতে প্ৰত্যেকে কিমান টকা লৈ গৈছিল তাৰ হিচাপ তলৰ চিত্ৰলেখৰ সহায়েৰে দেখুওৱা হ'ল।

| ল'ৰাৰ নাম | টকাৰ পৰিমাণ |
|---|---|
| প্ৰাঞ্জল | [10] [10] [10] [10] |
| ইব্ৰাহীম | [10] [10] [10] [10] [10] |
| জন | [10] [10] [10] [10] [10] |
| মুকুট | [10] [10] [5] |

[10] = 10 টকা

[5] = 5 টকা

1. প্ৰাঞ্জল আৰু জনে মুঠ কিমান টকা লৈ গৈছিল?
2. কোন দুজনে সমান পৰিমাণৰ টকা লৈ বজাৰলৈ গৈছিল?
3. মুকুটে লৈ যোৱা টকাৰ পৰিমাণ কিমান আছিল?
4. চাৰিওজনে মুঠ কিমান টকা লৈ বজাৰলৈ গৈছিল?

**সমাধান ঃ**

1. প্ৰাঞ্জলে লৈ যোৱা টকাৰ পৰিমাণ 40 টকা

   জনে লৈ যোৱা টকাৰ পৰিমাণ 50 টকা

গতিকে দুয়োজনে লৈ যোৱা মুঠ টকাৰ পৰিমাণ (40+50) টকা = 90 টকা

[যিহেতু [10] = 10 টকা, গতিকে ইয়াত 4টা ছবিয়ে 10 টকা ×4 = 40 টকা

আৰু 5টা ছবিয়ে 10 টকা 5 = 50 টকা সূচাইছে।]

2. ইব্ৰাহীম আৰু জন, দুয়োজনে সমান পৰিমাণৰ অৰ্থাৎ 50 টকাকৈ লৈ বজাৰলৈ গৈছিল।
3. মুকুটে লৈ যোৱা টকাৰ পৰিমাণৰ ক্ষেত্ৰত আমি ভালদৰে লক্ষ্য কৰিলে দেখিম যে ইয়াত দুটা [10] [10] ছবিৰ বাবে 20 টকা আৰু লগতে [5] ছবিৰ বাবে 5 টকা বুজাইছে। গতিকে মুকুটে মুঠ 25 টকা লৈ বজাৰলৈ গৈছিল।
4. চাৰিওজনে বজাৰলৈ লৈ যোৱা মুঠ টকাৰ পৰিমাণ হ'ল

   40 টকা + 50 টকা + 50 টকা + 25 টকা

   = 165 টকা

নিজে কৰা

1. এখন বিদ্যালয়ৰ ষষ্ঠ, সপ্তম, অষ্টম এই তিনিটা শ্ৰেণীৰ মুঠ 40 জন ছাত্ৰ-ছাত্ৰীক প্ৰতিভা সন্ধানী পৰীক্ষাৰ বাবে বাছনি কৰা হ'ল। তেওঁলোকৰ বয়সৰ তালিকা তলত দিয়া ধৰণৰ ( বছৰৰ হিচাপত)ঃ

9, 9, 10, 9, 10, 11, 11, 11, 10, 9, 9, 9,
10, 10, 11, 11, 11, 11, 10, 9, 9, 10, 10, 10,
9, 12, 12, 11, 13, 12, 9, 10, 13, 13, 9, 10,
12, 12, 10, 11

| বয়স (বছৰৰ হিচাপত) | দাগ চিহ্ন | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| 9 বছৰ | ~~||||~~ ~~||||~~ \| | 11 |
| 10 বছৰ | | |
| 11 বছৰ | | |
| 12 বছৰ | | |
| 13 বছৰ | | |

এতিয়া 10 বছৰ, 11 বছৰ, 12 বছৰ আৰু 13 বছৰৰ বাবে দাগচিহ্ন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিৰ্ণয় কৰা আৰু তলৰ প্ৰশ্ন কেইটাৰ উত্তৰ লিখা—

(a) 12 বছৰতকৈ কম বয়সৰ কিমানজন ছাত্ৰ-ছাত্ৰী আছে?

(b) 9 বছৰ আৰু 13 বছৰৰ মুঠ কিমানজন ছাত্ৰ-ছাত্ৰী আছে?

(c) আটাইতকৈ বেছি বয়সৰ কিমানজন ছাত্ৰ-ছাত্ৰী আছে?

(d) কোনটো বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আটাইতকৈ কম?

(e) কোনটো বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আটাইতকৈ বেছি?

2. যিকোনো এখন দোকানৰ সপ্তাহটোত বিক্ৰী হোৱা চাইকেলৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

| বাৰৰ নাম | বিক্ৰী হোৱা চাইকেলৰ সংখ্যা |
|---|---|
| সোমবাৰ |  |
| মঙলবাৰ |  |
| বুধবাৰ |  |
| বৃহস্পতিবাৰ |  |
| শুক্ৰবাৰ |  |
| শনিবাৰ |  |
| দেওবাৰ | (বন্ধ) |


এখন চাইকেল

(a) আটাইতকৈ বেছি চাইকেল কোন বাৰত বিক্ৰী হৈছিল?

(b) গোটেই সপ্তাহটোত মুঠ কেইখন চাইকেল বিক্ৰী হ'ল?

(c) সমান সংখ্যক চাইকেল বিক্ৰী হোৱা বাৰ কেইটা কি কি?

(d) দেওবাৰে কেইখন চাইকেল বিক্ৰী হ'ল?

(e) আটাইতকৈ বেছি আৰু আটাইতকৈ কম বিক্ৰী হোৱা চাইকেলৰ মাজত পাৰ্থক্য কিমান?

3. 30 জন ছাত্ৰ-ছাত্ৰীৰ ঘৰৰ সদস্য সংখ্যা তলত দিয়া ধৰণৰ ঃ

5, 4, 6, 6, 8, 7, 4, 5, 10, 6, 6, 4, 7
8, 6, 4, 10, 8, 7, 7, 6, 5, 5, 7, 10, 7
8, 4, 8, 6

সদস্যৰ সংখ্যাবোৰ ক্ৰমানুসাৰে সজাই দাগচিহ্নৰ সহায়েৰে দেখুওৱা।

4. কোনো এটা শ্ৰেণীৰ গণিত, অসমীয়া, বিজ্ঞান, সমাজ বিজ্ঞান আৰু বুৰঞ্জী বিষয়সমূহ ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ (এজন ছাত্ৰ বা ছাত্ৰীয়ে যিকোনো এটা মাত্ৰ বিষয়হে প্ৰিয় বিষয় হিচাপে ল'ব পাৰিব)

| বিষয় | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| গণিত | ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ |
| অসমীয়া | ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ |
| বিজ্ঞান | ☺ ☺ ☺ ☺ ☺ ☺ ☺ |
| সমাজ বিজ্ঞান | ☺ ☺ ☺ ☺ ☺ ☺ ☺ ☺ |
| ইংৰাজী | ☺ ☺ ☺ ☺ ☺ ☺ |

☺ যে এজন ছাত্ৰ বা ছাত্ৰীক বুজাইছে

(a) শ্ৰেণীটোৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?

(b) আটাইতকৈ বেছি আৰু আটাইতকৈ কম ছাত্ৰ-ছাত্ৰীয়ে ভাল পোৱা বিষয় দুটা কি কি?

(c) বিজ্ঞান আৰু ইংৰাজী এই বিষয় দুটা মুঠ কিমানজন ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়?

(d) গণিত বিষয়টো ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?

(e) অসমীয়া বিষয়টো ইংৰাজী বিষয়তকৈ কিমানজনে বেছি বা কম ভাল পায়?

5. এখন গাঁৱৰ পাঁচ ঘৰ মানুহৰ ঘৰত থকা পোহনীয়া প্ৰাণীৰ সংখ্যা তলত দিয়া ধৰণৰ।

| ঘৰৰ গৰাকীৰ নাম | পোহনীয়া প্ৰাণীৰ সংখ্যা |
|---|---|
| বুধিন | 10 |
| কণমাই | 8 |
| গোমচেং | 5 |
| নাজমা | 8 |
| নিশা | 11 |







এতিয়া যিকোনো এটা প্ৰতীক লৈ তালিকাখন চিত্ৰলেখৰ সহায়ত দেখুওৱা আৰু লগতে প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

(a) কাৰ ঘৰত আটাইতকৈ বেছি প্ৰাণী আছে?

(b) আটাইতকৈ বেছি আৰু আটাইতকৈ কম প্ৰাণীৰ মাজৰ পাৰ্থক্য কিমান?

(c) নিশাৰ ঘৰৰ প্ৰাণীৰ সংখ্যা গোমচেঙৰ ঘৰৰ প্ৰাণীৰ সংখ্যাতকৈ কিমান বেছি?

(d) 5 তকৈ বেছি প্ৰাণী কাৰ কাৰ ঘৰত আছে?

6. এজন পাচলি ব্যৱসায়ীৰ সপ্তাহটোৰ প্ৰথম চাৰিটা বাৰত বিক্ৰী হোৱা পাচলিৰ পৰিমাণ (কিগ্ৰা হিচাপত) তলত দিয়া ধৰণৰ ঃ




| বাৰ | পাচলিৰ পৰিমাণ (কিগ্ৰা) |
|---|---|
| সোমবাৰ | 6 |
| মঙলবাৰ | 8 |
| বুধবাৰ | 5 |
| বৃহস্পতিবাৰ | 8 |




এটা সঠিক প্ৰতীক ব্যৱহাৰ কৰি তালিকাখন চিত্ৰ লেখৰ সহায়ত দেখুওৱা।




## দণ্ডলেখ (Bar graph)

কোনো এখন বিদ্যালয়ৰ ষষ্ঠ, সপ্তম, অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

| শ্ৰেণী | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| ষষ্ঠ | 40 |
| সপ্তম | 35 |
| অষ্টম | 50 |
| নৱম | 40 |
| দশম | 45 |

তথ্যখিনি দণ্ডলেখৰ সহায়ত কেনেদৰে প্ৰকাশ কৰিব পাৰি চাওঁ আহা ঃ




1. আটাইতকৈ কম ছাত্ৰ-ছাত্ৰী কোন শ্ৰেণীত আছে?
2. 40 বা তাতোকৈ বেছি ছাত্ৰ-ছাত্ৰী কোন কোন শ্ৰেণীত আছে?
3. বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?
4. সপ্তম আৰু দশম শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?

চিত্ৰলেখেৰে তথ্য উপস্থাপন কৰাটো কেৱল সময় খৰচীয়েই নহয় বৰঞ্চ জটিলো। সেইবাবে তথ্যক দৃশ্যমান হোৱাকৈ উপস্থাপন কৰিবলৈ দণ্ডলেখ ব্যৱহাৰ হয়।

দণ্ডলেখ বা দণ্ডচিত্ৰৰে তথ্যখিনি উপস্থাপন কৰাৰ ক্ষেত্ৰত তলৰ স্তৰসমূহ ব্যৱহাৰ কৰা হয়।

(a) দুডাল লম্বৰেখা অংকন কৰা হয়- এডাল উলম্বভাৱে আৰু আনডাল আনুভূমিকভাৱে।
(b) আনুভূমিক ৰেখাৰ দিশত এটা প্ৰদত্ত তথ্য আৰু সেই তথ্যৰ বিপৰীতে থকা তথ্যসমূহক উলম্ব ৰেখাৰ দিশত দণ্ড সহায়ত প্ৰকাশ কৰা হয়।
(c) সমান অন্তৰালত সমান ভূমিৰ ওপৰত দণ্ডবোৰ অংকন কৰা হয়।

**জানি লওঁ আহা ঃ** সমান প্ৰস্থৰ দণ্ড সমান ব্যৱধানত আনুভূমিকভাৱে বা উলম্বভাৱে আঁকিব পাৰি আৰু প্ৰতিটো দণ্ডৰ দৈৰ্ঘ্যই প্ৰদত্ত সংখ্যাটোৰ মান বুজাব। এনেদৰে তথ্য উপস্থাপন কৰিব পৰা পদ্ধতিটোক দণ্ডচিত্ৰ বা দণ্ডলেখ বোলা হয়।

**উদাহৰণ ঃ**

জিলাভিত্তিক খেল প্ৰতিযোগিতাত ফুটবল, হকী, বেডমিণ্টন আৰু ক্ৰিকেট এই চাৰিবিধ খেলত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ




| খেলৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| ফুটবল | 320 |
| হকী | 240 |
| বেডমিণ্টন | 160 |
| ক্ৰিকেট | 480 |





তালিকাখন চাই দণ্ড চিত্ৰ প্ৰস্তুত কৰোঁ আহা ঃ




স্কেল ঃ 1একক দৈৰ্ঘ্য
= 40 জন ছাত্ৰ-ছাত্ৰী

**আলোচনা কৰোঁ আহা ঃ**

1. আটাইতকৈ কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলা খেলবিধৰ নাম কি ?

2. আটাইতকৈ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলা খেলবিধৰ নাম কি?
3. আটাইতকৈ বেছি আৰু আটাইতকৈ কম খেলা খেল দুবিধৰ মাজত ছাত্ৰ-ছাত্ৰীৰ পাৰ্থক্য কিমান?
4. 200 জনতকৈ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল পোৱা খেলৰ নাম কি?

**নিজে কৰা**

1. পলিঅ' টিকাকৰণৰ বাবে এখন পঞ্চায়তৰ পৰা সংগ্ৰহ কৰা পাঁচটা বছৰৰ কেঁচুৱাৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

| বছৰ ঃ | 2014 | 2015 | 2016 | 2017 | 2018 |
|---|---|---|---|---|---|
| কেঁচুৱাৰ সংখ্যা ঃ | 570 | 680 | 720 | 780 | 800 |

1 একক দৈৰ্ঘ্য = 100 টা কেঁচুৱা হিচাপে লৈ তথ্যখিনি দণ্ডচিত্ৰৰ সহায়ত প্ৰকাশ কৰা আৰু তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা।

(a) কোনটো চনত আটাইতকৈ বেছি কেঁচুৱাক পলিঅ'ৰ টিকাকৰণ কৰা হৈছিল?

(b) 2015 আৰু 2016 চনত মুঠ কিমানটা কেঁচুৱাক পলিঅ'ৰ টিকাকৰণ কৰা হৈছিল?

(c) পাঁচটা বছৰৰ ভিতৰত আটাইতকৈ বেছি আৰু আটাইতকৈ কম পলিঅ'ৰ টিকাকৰণ গ্ৰহণ কৰা কেঁচুৱাৰ সংখ্যাৰ মাজৰ পাৰ্থক্য কিমান?


2. 5 জুন 'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনা ষষ্ঠ, সপ্তম, অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেকেই মিলি গছৰ পুলি ৰুলে। তাৰ তালিকাখন তলত দিয়া ধৰণৰ ঃ



| শ্ৰেণী ঃ | ষষ্ঠ | সপ্তম | অষ্টম | নৱম | দশম |
|---|---|---|---|---|---|
| পুলিৰ সংখ্যা ঃ | 50 | 75 | 60 | 80 | 110 |

উপযুক্ত স্কেল ব্যৱহাৰ কৰি তালিকাখনৰ সহায়ত দণ্ডচিত্ৰ প্ৰস্তুত কৰা।

3. হৰেণৰ এখন কিতাপৰ দোকান আছে। তেওঁৰ কিতাপ বিক্ৰীৰ মাহিলী হিচাপ তলত দণ্ডচিত্ৰৰ সহায়ত দেখুওৱা হ'ল (কেৱল বছৰটোৰ প্ৰথম চাৰিমাহৰ)।






স্কেল ঃ 1একক দৈৰ্ঘ্য = 20 খন কিতাপ

দণ্ডচিত্ৰখন চাই তালিকাখন প্ৰস্তুত কৰা আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

(a) কোনটো মাহত আটাইতকৈ বেছি কিতাপ বিক্ৰী হ'ল?

(b) এপ্ৰিল আৰু মাৰ্চ মাহত মুঠ কিমান কিতাপ বিক্ৰী হ'ল?

(c) জানুৱাৰী আৰু মাৰ্চ মাহত বিক্ৰী হোৱা কিতাপৰ সংখ্যাৰ মাজৰ পাৰ্থক্য কিমান?

4. সোমবাৰৰ দিনা ষষ্ঠ, সপ্তম, অষ্টম, নৱম, দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ তালিকা তলত দিয়া হ'ল ঃ

| শ্ৰেণী | ষষ্ঠ | সপ্তম | অষ্টম | নৱম | দশম |
|---|---|---|---|---|---|
| ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | 65 | 58 | 75 | 40 | 35 |

তালিকাৰ পৰা দণ্ডচিত্ৰ প্ৰস্তুত কৰা আৰু তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা।

(a) আটাইতকৈ কম ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কোনটো শ্ৰেণীত দেখা গৈছে।

(b) সেইদিনা বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান?

(c) নৱম আৰু দশম শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? (তালিকাৰ পৰা)

5. এখন বিদ্যালয়ত পাঁচটা বছৰত ছোৱালীৰ সংখ্যা তলত দিয়া ধৰণৰ ঃ

| বছৰ | 2008 | 2009 | 2010 | 2011 | 2012 |
|---|---|---|---|---|---|
| ছোৱালীৰ সংখ্যা | 200 | 350 | 400 | 250 | 420 |

তালিকাখনৰ পৰা পোৱা তথ্যবোৰ দণ্ডচিত্ৰৰ সহায়ত প্ৰকাশ কৰা।

******